# প্ৰেছ বাৰ্তা

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম**

**লক ডাউনৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিশেষ পদক্ষেপ**

## আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকলৈ ১,০০০ টকাকৈ এককালীন অৰ্থ সাহায্য

# হিতাধিকাৰীৰ সংখ্যা বঢ়োৱাৰ সিদ্ধান্ত চৰকাৰৰ

**গুৱাহাটী ৮ এপ্ৰিলঃ** বৰ্তমান বিশ্বজুৰি হোৱা COVID-19ৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশবাসীকে এই মহামাৰীৰ পৰা ৰক্ষা কৰাৰ অৰ্থে প্ৰতিৰোধীমূলক ব্যৱস্থা হিচাপে চৰকাৰে হাতত লোৱা ২১দিনীয়া ল'কডাউনৰ সময়ছোৱাত সমাজৰ দুৰ্বল শ্ৰেণীক সহায় কৰাৰ বাবে বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিশেষ ব্যৱস্থা হাতত লৈছে। এই সময়ছোৱাত ৰাজ্যখনৰ গ্ৰাম্য দুখীয়া বিশেষকৈ সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীটোক আৰ্থিক সকাহ প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদানেৰে প্ৰতিটো দুখীয়া পৰিয়ালক ১,০০০ টকাকৈ নগদ এককালীন সাহায্য আগবঢ়োৱাই থকা হৈছে। বৰ্তমানলৈ ২,৭৮,৭৯৩টা পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত হৈছে।

এই এককালীন সাহায্যৰ বাবে খাদ্য সুৰক্ষা আঁচনিৰ অধীনত সামৰি নোলোৱা পৰিয়ালসকলক হিতাধিকাৰী হিচাপে বাচনি কৰা হৈছে। ইয়াৰ উপৰি প্ৰকৃততে আটাইতকৈ দুখীয়া পৰিয়ালে যাতে এই সাহায্য লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈ গাঁওপঞ্চায়তসমূহৰ সচিবসকলক হিতাধিকাৰী বাচনিৰ দায়িত্ব দিয়া হৈছে। পিছলৈ হিতাধিকাৰীৰ তালিকাসমূহ গাঁওসভাত অনুমোদন কৰাব লাগিব।

এই সাহায্য প্ৰদানৰ বাবে প্ৰতিখন গাঁও পঞ্চায়তৰ মুঠ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা হিতাধিকাৰীৰ সংখ্যা কালি অসম চৰকাৰে পুনৰ নিৰ্দ্ধাৰণ কৰি প্ৰতিটো শ্ৰেণীতে ৫০জনকৈ হিতাধিকাৰী বঢ়াই দিছে। এই অনুসৰি পাঁচ হাজাৰ লোক থকা গাঁও পঞ্চায়তসমূহক পূৰ্বৰ ১০০ৰ পৰিবৰ্তে ১৫০ টা পৰিয়াল, ৫০০১ৰ পৰা ১০,০০০ জনসংখ্যাৰ গাঁও পঞ্চায়তসমূহক ২০০টা আৰু ১০,০০০ৰ ওপৰত জনসংখ্যা থকা গাঁও পঞ্চায়তসমূহক ২৫০টাকৈ পৰিয়াল হিতাধিকাৰী ৰূপে বাচনি কৰিবলৈ দিয়া হৈছে। এই আৰ্থিক অনুদানে সমাজৰ এই দুৰ্বল শ্ৰেণীটোক বৰ্তমানৰ জটিল পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে আৰ্থিক সুৰক্ষা প্ৰদান কৰিব।

তদুপৰি গ্ৰাম্য দুখীয়া তথা অনগ্ৰসৰ শ্ৰেণীটোক আৰ্থিক সকাহ দিবলৈ বিভাগৰ অধীনত চলি থকা আঁচনিসমূহ বিশেষকৈ পেন্সনসমূহ সময়মতে প্ৰদান কৰাৰ ব্যৱস্থা কৰাৰ উপৰি ১৮ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱা মহিলাসকলক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে নতুনকৈ গ্ৰহণ কৰা ইন্দিৰা মিৰি সাৰ্বজনীন বিধাৱা পেন্সন আঁচনিখনো ৩ এপ্ৰিলত মুকলি কৰি মাহে ৩০০টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে ইতিপূৰ্বে আবেদন কৰা ১,৪৩,৩১৮গৰাকী হিতাধিকাৰীলৈ বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিৰ জোৰা মাৰিবলৈ এই পেন্সন চলিত এপ্ৰিল মাহৰ পৰা আগন্তুক জুলাই মাহলৈ চাৰিমাহৰ অগ্ৰিম পেন্সন ১২০০ টকাকৈ তেওঁলোকৰ বেংক একাউণ্টত পোনপটীয়াকৈ

প্ৰদান কৰা হৈছে।

আনহাতে ৰাইজক অধিক সকাহ দিবৰ বাবে শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেন্সন আঁচনিৰ অন্তৰ্ভুক্ত প্ৰায় ১২ লাখ হিতাধিকাৰীক উপকৃতকৰি দুমাহৰ পেন্সন পাঁচশ টকা একেলগে আদায় দিয়া হ'ব।

ইয়াৰোপৰি এম জি এন ৰে গাৰ অধীনত জবকাৰ্ড থকা লোকসকলে পাবলগীয়া মজুৰিও তকালীনভাৱে আদায় দি থকা হৈছে। বৰ্তমানলৈ ২৫২ কোটি টকা যোৱা তিনি দিনত মুকলি কৰি দিয়া হৈছে। আনহাতে লক ডাউন শিথিল কৰাৰ পিছত জব কাৰ্ড থকা লোকসকলক অধিক কৰ্মদিনৰ সুবিধা দিয়াৰ লগতে ৰাজ্যৰ বাহিৰৰ পৰা অহা শ্ৰমিকসকলকো নিয়োগ কৰিব পৰাকৈ এই আঁচনিৰ অধীনত কিছু কাম হাতত ল'বলৈ বিভাগীয়ভাৱে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে।

তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নিৰ্দেশমৰ্মে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ পৰা ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ আঠ লাখ পচপন্ন হাজাৰ পাঁচশ চাৰিগৰাকী হিতাধিকাৰীক এক হাজাৰ টকাকৈ এককালীন সাহায্য দিয়া হ'ব। ইয়াৰে প্ৰথম কিস্তিত পাঁচশ টকা দিয়া হ'ব।

আনহাতে বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ নিৰ্দেশত বৰ্তমানৰ জটিল পৰিস্থিতিত প্ৰয়োজন হোৱা মাস্ক তৈয়াৰ কৰাৰ বাবে আত্মসহায়ক গোটসমূহক নিৰ্দেশনা জাৰি কৰা হৈছে। ইতিমধ্যে এই গোটসমূহে ৩৫হাজাৰতকৈও অধিক মাস্ক প্ৰস্তুত কৰি উলিয়াইছে। আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা এই মাস্কসমূহ অসম চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু ৰাজ্যৰ বিভিন্ন স্থানত থকা চাহবাগিছাসমূহত উপলব্ধ কৰোৱা হ'ব। তদুপৰি আত্মসহায়ক গোটসমূহে উৎপাদন কৰা শাক-পাচলি, গাখীৰ, হাঁহ-কুকুৰা আদি জনসাধাৰণে যাতে সঠিক মূল্যত সহজতে লাভ কৰে তাৰ বাবে, সামাজিক দূৰত্ব বজাই ৰাখি সাৰধনতাৰে এনে খাদ্য সামগ্ৰীসমূহ নিজ নিজ অঞ্চলৰ ঘৰে ঘৰে যোগান ধৰিবলৈও মন্ত্ৰীগৰাকীয়ে আত্মসহায়ক গোটসমূহক আহ্বান জনায়।

*এম আৰ ডি/০৮-০৪-২০২০*